দৰ ব্যৱস্থাৰ প্ৰভাৱ সম্পৰ্কে কোনো আলোকপাত কৰা নাই।

(vi) **মুদ্ৰা যোগানৰ আভ্যন্তৰীণ চৰিত্ৰ** (Endogenous character of money supply) ঃ কেইনছ্ আৰু ফ্ৰিড্‌মেন দুয়োগৰাকী অৰ্থনীতিবিদে বিশ্বাস কৰে যে, মুদ্ৰা যোগান এক বাহ্যিক (exogenous) বিষয়। যিহেতু, মুদ্ৰা যোগানত নোট ছপা আৰু কেন্দ্ৰীয় বেংকৰ খোলা বজাৰ প্ৰক্ৰিয়া (open market operation)ৰ বাহিৰেও অন্যান্য উপাদান যেনে, কেন্দ্ৰীয় বেংকৰ পৰা ব্যৱসায়িক বেংকবোৰে লোৱা ঋণ, বিদেশৰ পৰা মুদ্ৰাৰ বৰ্হিগমণ (outflow) আৰু অন্তঃগমণ (inflow) আদিয়েও প্ৰভাৱ পেলায়। এই উপাদান সমূহ আভ্যন্তৰীণ (endogenous) চৰিত্ৰৰ।

## 3.8 মুদ্ৰাৰ চাহিদা (Demand for money) ঃ

মুদ্ৰাক জনাসাধাৰণে সম্পদ হিচাপে নিজৰ হাতত ৰাখে। গতিকে মুদ্ৰাৰ চাহিদা আৰু যোগানৰ বাবে ইয়াৰ এখন বজাৰ আছে। মুদ্ৰাৰ চাহিদা সৃষ্টি হয় সাধাৰণ লোকৰ পৰা আৰু ইয়াৰ যোগান ধৰে উৎপাদনকাৰী হিচাপে চৰকাৰ আৰু বেংক ব্যৱস্থাই। গতিকে মুদ্ৰাৰ বজাৰ ইয়াৰ চাহিদাকাৰী আৰু যোগানকাৰীৰ সংযোগৰ জৰিয়তে গঠিত হয়। মুদ্ৰাৰ চাহিদা আৰু যোগানৰ প্ৰকৃতি, ইয়াৰ নিৰ্দ্ধাৰক সমূহৰ অধ্যয়ন এই কাৰণেই গুৰুত্বপূৰ্ণ যে, ইয়ে দৰস্তৰ, সুদৰ হাৰ আৰু প্ৰকৃত আয়ৰ ওপৰত সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলায়।

### 1. মুদ্ৰা চাহিদাৰ সংস্থাপিত তত্ব (The classical theory of demand for money) ঃ

মুদ্ৰা চাহিদাৰ সংস্থাপিত তত্বক দুটা দৃষ্টিভংগীৰ জৰিয়তে প্ৰকাশ কৰা হয়। এটা হ'ল ফিচাৰৰ তত্ব (Fisherian approach) আৰু আনটো হ'ল ক্ৰেম্ব্ৰিজ তত্ব (Cambridge approach)।

(i) **ফিচাৰৰৰ তত্ব** (Fisherian approach) ঃ সংস্থাপিত তত্ববিদ সকলৰ মতে মুদ্ৰাৰ চাহিদা সৃষ্টি হয় লেনদেন চাহিদাৰ জৰিয়তে। মুদ্ৰাক ইয়াৰ নিজৰ কাৰণে চাহিদা কৰা নহয়; ইয়াক চাহিদা কৰা হয় বিনিময়ৰ এক মাধ্যম হিচাপে। গতিকে মুদ্ৰা নিশ্চিতভাৱে চাহিদা কৰা হয় ব্যয় আৰু দ্ৰব্য-সামগ্ৰী লেনদেন পৰিচালনাৰ কাৰণে। গতিকে মুদ্ৰাৰ মুঠ চাহিদা নিৰ্দ্ধাৰণ কৰে এক নিৰ্দিষ্ট সময়ত লেনদেন হোৱা মুঠ দ্ৰব্য-সামগ্ৰী আৰু সেৱাৰ ওপৰত। তাৰোপৰি মুদ্ৰাৰ চাহিদা নিৰ্ভৰ কৰে ইয়াৰ প্ৰচলনৰ গতিবেগ (Velocity) ৰ ওপৰত। ফিচাৰৰ সমীকৰণত,

$$PT = MV$$

আকৌ, $Md$ = মুঠ মুদ্ৰাৰ চাহিদা।

$T$ = নিৰ্দিষ্ট সময়ত লেনদেন হোৱা দ্ৰব্য আৰু সেৱাৰ পৰিমাণ।

আৰু $P$ = দৰস্তৰ।

গতিকে, $Md = PT$

ফিচাৰৰ তত্বত মুদ্ৰাক কেৱল যান্ত্ৰিক (mechanical) অৰ্থত ব্যৱহাৰ কৰা হৈছে, য'ত মুদ্ৰা চাহিদাৰ বিভিন্ন অভিপ্ৰায় (motives)ৰ সম্পৰ্কে আলোকপাত কৰা হোৱা নাই।

(ii) **ক্ৰেম্ব্ৰিজ তত্ব (Cambridge approach) ঃ** ক্ৰেম্ব্ৰিজৰ নগদ ৰাহি তত্ব (Cash balance approach) মুদ্ৰাৰ সঞ্চয়ৰ ভঁৰাল কাৰ্য্যৰ ওপৰত প্ৰতিষ্ঠিত। ক্ৰেম্ব্ৰিজ গোষ্ঠীৰ মতে মুদ্ৰাৰ চাহিদা সেইসকলৰ পৰা সৃষ্টি নহয় যিসকলে দ্ৰব্য-সামগ্ৰী বিনিময় কৰিব বিচাৰে; কিন্তু সৃষ্টি হয় সেই সকলৰ পৰা যিয়ে বিভিন্ন অভিপ্ৰায়ৰ কাৰণে মুদ্ৰা হাতত ৰাখিব বিচাৰে। গতিকে ক্ৰেম্ব্ৰিজ গোষ্ঠীৰ মতে মুদ্ৰাৰ চাহিদাই নগদ ৰাহি চাহিদাক বুজায়।

ক্ৰেম্ব্ৰিজ অৰ্থনীতিবিদ সকলে মুদ্ৰাৰ চাহিদাৰ ওপৰত প্ৰভাৱ পেলোৱা বিভিন্ন ধৰণৰ উপাদানৰ কথা উল্লেখ কৰিছে। সেই উপাদান সমূহ হ'ল—

(i) মানুহে লেনদেনৰ অভিপ্ৰায়েৰে মুদ্ৰা লগত ৰাখে। মুদ্ৰা সাধাৰণভাৱে দ্ৰব্য-সামগ্ৰী আৰু সেৱা বিনিময়ত গ্ৰহণ কৰা হয়। গতিকে মুদ্ৰাই পণ্য বিনিময়ৰ অসুবিধা দূৰ কৰে।

(ii) ব্যক্তিয়ে সাৱধানতাৰ অভিপ্ৰায়েৰেও মুদ্ৰা লগত ৰাখে। যিহেতু মুদ্ৰাই ভৱিষ্যতৰ অনিশ্চয়তাক নিৰাপত্তা প্ৰদান কৰে।

(iii) লেনদেন আৰু সাৱধানতাৰ অভিপ্ৰায় স্থিৰে থকা অৱস্থাত, ব্যক্তিয়ে কিমান মুদ্ৰা হাতত ৰাখিব সেইটো নিৰ্ভৰ কৰে ব্যক্তিৰ বাজেট সীমাবদ্ধতা আৰু সম্পদৰ ওপৰত।

(iv) আয় আৰু সম্পদে নিৰ্দিষ্ট কৰা চুড়ান্ত সীমাবদ্ধতাৰ মাজত, হাতত ৰখা মুদ্ৰাৰ প্ৰকৃত অনুপাত অন্যান্য বিষয়ৰ বাদেও মুদ্ৰাৰ সুযোগ ব্যয় (opportunity cost)ৰ ওপৰত নিৰ্ভৰ কৰে। ক্ৰেম্ব্ৰিজ গোষ্ঠীৰ মতে, মুদ্ৰা হাতত ৰখাৰ সুযোগ ব্যয়ৰ অন্তৰ্ভূক্ত বিষয়বোৰ হ'ল, সুদৰ হাৰ, প্ৰকৃত মূলধনৰ উৎপাদন আৰু প্ৰত্যাশিত মুদ্ৰাস্ফীতিৰ হাৰ।

(v) ক্ৰেম্ব্ৰিজ গোষ্ঠীৰ মতে ব্যক্তিৰ অভ্যাস, জাতিৰ পৰিশোধ ব্যৱস্থা, মুদ্ৰাৰ পৰ্যাপ্ত বিকল্পতা, জনসংখ্যাৰ ঘনত্ব (density), যোগাযোগ ব্যৱস্থা আদিয়েও মুদ্ৰাৰ চাহিদাৰ ওপৰত প্ৰভাৱ পেলায়।

গতিকে, ওপৰোক্ত উপাদান সমূহৰ ভিত্তিত ক্ৰেম্ব্ৰিজ গোষ্ঠীয়ে আগবঢ়োৱা মুদ্ৰাৰ চাহিদা কাৰ্য্যৰ সমীকৰণটো হ'ল—

$$Md = KPY$$

য'ত,

Md = হাতত ৰখা মুদ্ৰাৰ চাহিদা

K = মুদ্ৰা আয়ৰ স্থিৰ অনুপাত

PY = মুদ্ৰাগত আয়।

ওপৰত সমীকৰণটোত K ৰ মান স্থিৰ হিচাপে ধৰা হৈছে কাৰণ, দীৰ্ঘকালত K উল্লেখনীয়ভাৱে পৰিবৰ্তন নহয়। এইখিনিতে উল্লেখ কৰিব পাৰি যে, কেম্ব্ৰিজ সমীকৰণৰ K ফিচাৰ সমীকৰণৰ Y ৰ পাৰস্পৰিক (reciprocal) - K = (i/v)।

চিত্ৰ 3.E ত Md = KPY ৰেখাই মুদ্ৰাৰ চাহিদা প্ৰতিনিধিত্ব কৰিছে। এই ৰেখা আহৰণৰ অভিধাৰণা (assumption) হ'ল, হাতত মুদ্ৰা ৰখাৰ চাহিদা আৰু মুদ্ৰা আয়ৰ মাজত এক আনুপাতিক ধনাত্মক সম্পৰ্ক আছে। সামান্য আয় বৃদ্ধি

লগে লগে জাতিয়ে আনুপাতিক হাৰত অধিক মুদ্ৰা ৰাহি হিচাপে হাতত ৰাখে। উৎপাদিত সামগ্ৰী বা প্ৰকৃত আয় (Y) আৰু K স্থিৰে থকা অৱস্থাত দৰস্তৰ দুগুণ বৃদ্ধি ($P_0$ ৰ পৰা $P_1$ লৈ) হ'লে, সামান্য আয় (nominal income) দুগুণ বৃদ্ধি ($P_0\bar{Y}$ ৰ পৰা $P_1\bar{Y}$ লৈ) হ'ব আৰু ইয়াৰ ফলত মুদ্ৰাৰ চাহিদাও দুগুণ বৃদ্ধি ($M_0$ ৰ পৰা $M_1$ লৈ) হ'ব। কাৰণ, একেখিনি লেনদেনৰ কাৰণে দুগুণ বৰ্দ্ধিত দৰস্তৰত লেনদেনৰ বাবে দুগুণ মুদ্ৰাৰ প্ৰয়োজন হ'ব।




Fig. 3.E

মুঠৰ ওপৰত সংস্থাপিত মুদ্ৰা চহিদা তত্বৰ সাৰাংশ সমূহ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি।

(i) মুদ্ৰা কেৱল বিনিময়ৰ এক মাধ্যম।

(ii) সামান্য পৰিমাণৰ আয়ত হাতত ৰাহি মুদ্ৰা ৰখাৰ ইচ্ছা ইয়াৰ নুন্যতম স্তৰত স্থিৰে থাকে বুলি ধৰা হয়।

(iii) জনসাধাৰণে আয়ৰ সামান্য সুদ বিহীন নগদ স্থিৰ জমা, লেনদেন আৰু সাৱধানতাৰ অভিপ্ৰায়ে ৰাখে।

(iv) লেনদেনৰ কাৰণে হাতত ৰখা নুন্যতম প্ৰয়োজনীয়তা ওপৰিঞ্চি জমা কাৰ্য্য অবিবেচক (irrational) কাৰ্য হিচাপে গণ্য কৰা হয়, কাৰণ মুদ্ৰাৰ নিজা কোনো মূল্য নাই।

(v) মুদ্ৰাৰ চাহিদা পৰিমাণ প্ৰত্যক্ষভাৱে দৰস্তৰৰ সৈতে সম্পৰ্কিত।

**2. কেইনছ্‌ৰ মুদ্ৰা চাহিদা তত্ব** (Keynes' theory of demand for money) ঃ

কেইনছে তেওঁৰ মুদ্ৰাৰ চাহিদা সম্পৰ্কীয় তত্ব তেওঁৰ ১৯৩৬ চনত প্ৰকাশিত বিখ্যাত গ্ৰন্থ "The general theory of employment, interest and meoney" ত উল্লেখ কৰিছে। কেইনছ্‌ৰ মতে, মূদ্ৰাৰ চাহিদা সৃষ্টি হয় মুদ্ৰাৰ তাৰল্য প্ৰীতি (Liquidity preference) ৰ জৰিয়তে। তাৰল্য প্ৰীতিৰ অৰ্থ হ'ল সম্পদক নগদ টকালৈ ৰূপান্তৰ প্ৰক্ৰিয়া। তাৰল্য সম্পদ অন্যান্য সম্পদৰ তুলনাত অধিক পছন্দৰ। গতিকে কেইনছ্‌ৰ মতে মুদ্ৰা চাহিদাৰ অৰ্থ হ'ল মুদ্ৰাক নগদ ৰূপত ৰখা মানুহৰ ইচ্ছা বা আসক্তি।

কেইনছে্‌ মুদ্ৰাৰ চাহিদা বা তাৰল্য প্ৰীতিৰ সম্পৰ্কে তিনিটা অভিপ্ৰায় উল্লেখ কৰিছে। ...